بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# হজৰত মছীহ মাওউদ (আঃ)ৰ শিক্ষাৰ আলোকত আল্লাহৰ একত্ববাদৰ ঈমান উদ্দীপক ঘটনাৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ০৩ এপ্ৰিল ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ. اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ. الرَّحۡمٰنِ الرَّحِیۡمِ. مٰلِکِ یَوۡمِ الدِّیۡنِ. اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ. اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ. صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আঁহজৰত (ছাঃ)য়ে তৌহিদ প্ৰতিষ্ঠাৰ বাবে চেষ্টা-প্ৰচেষ্টা কৰিছিল আৰু সকলো দিশৰ বিৰুদ্ধে এক শক্তিশালী শিলৰ দৰে থিয় হোৱা আৰু প্ৰতিটো জাতিৰ শ্বিৰকৰ বিৰুদ্ধে থিয় হোৱা আৰু তেখেতৰ সততাৰ বিষয়ে আমি আগতে পঢ়িছো।

এই উদ্ধৃতিত হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, চিন্তা কৰা উচিত যে তেখেত (ছাঃ)ৰ নবুয়তৰ দাবীৰ পিছত হাজাৰ হাজাৰ বিপদৰ সন্মুখীন হোৱা সত্ত্বেও আৰু লাখ লাখ দুৰ্বৃত্তই অপমান আৰু ভীতি প্ৰদৰ্শন কৰা সত্ত্বেও আৰম্ভণিৰ পৰা শেষলৈকে নিজৰ দাবীত অটুট হৈ আছিল।

কৈছে যে একত্ববাদৰ প্ৰচাৰ ইমানেই স্পষ্ট আছিল যে সকলো জাতি আৰু সকলো সম্প্ৰদায় আৰু সমগ্ৰ বিশ্বৰ যিসকল লোক শ্বিৰকত ডুবি আছিল, তেওঁলোকে তেখেতৰ বিৰোধীতা কৰিছিল। গতিকে চিন্তা কৰা উচিত যে সেই সময়ত একত্ববাদৰ প্ৰচাৰ কৰাটো বিৰোধী সকলৰ সন্মুখত আটাইতকৈ ঘৃণনীয় কাম আছিল, যাৰ ফলত তেখেত (ছাঃ)য়ে হাজাৰ হাজাৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল, বৰঞ্চ তেখেতক হত্যা কৰিবলৈ ভাবুকিও দিছিল। এনে সময়ত নিজৰ দাবীত দৃঢ় হৈ থকাটোৱে কোনটো জগতৰ সংশোধন বিচাৰিছিল ?

কৈছে যে বিবেকবান মানুহে যদি চিন্তা কৰে যে সেই যুগ যি যুগত আঁহজৰত (ছাঃ)ৰ আগমন হৈছিল প্ৰকৃততে এনেকুৱা যুগ আছিল যে য'ত এজন বুজুৰ্গ আৰু আল্লাহৰ মহান সংস্কাৰক আৰু পথ প্ৰদৰ্শকৰ প্ৰয়োজন আছিল, আৰু তেখেতে যি শিক্ষা দিছিল, সেয়াই প্ৰকৃততে সত্য আৰু পৱিত্ৰ শিক্ষা আছিল, সেই শিক্ষাৰ অতি প্ৰয়োজন আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে তৌহিদ যি মুক্তিৰ মাধ্যম, সেয়া কোনখন গ্ৰন্থৰ জৰিয়তে পৃথিৱীত সকলোতকৈ বেছি প্ৰকাশ পাইছে.....কোনোবাই ক'ব পাৰেনে যে ইঞ্জিলৰ দ্বাৰা তৌহিদ বিস্তাৰ হৈছিল ? খ্ৰীষ্টান যিসকলে তিনিটা খোদাক বিশ্বাস কৰে তেওঁলোকে কেনেকৈ তৌহিদৰ কথা ক'ব পাৰে ? তেওঁলোকৰ দৃষ্টিত কাল্পনিক স্বৰ্গখন ইউৰোপৰ দুটা মহান ৰাষ্ট্ৰ ৰাছিয়া আৰু ব্ৰিটিছৰ মাজত আধাতকৈ অধিক বিভক্ত হ'ব, এতিয়া আন বৃহৎ দেশসমূহো ইয়াত বিভক্ত হৈছে। আমেৰিকানসকলে কয়, বৰঞ্চ ইমানে ক'বলৈ আৰম্ভ কৰিছে যে আমেৰিকাৰ সভাপতি ডোনাল্ড ট্ৰাম মছীহৰ দ্বিতীয় আগমন। একত্ববাদক তেওঁলোকৰ দৃষ্টিত অগ্নিত নিক্ষেপ কৰা হ'ব।

আজি পৃথিৱীত যি বস্তু যাৰ নাম তৌহিদ, সেয়া আঁহজৰত (ছাঃ)ৰ উম্মতৰ বাহিৰে আন কোনো ফিৰকাত পোৱা নাযায় আৰু কোৰআন শ্বৰীফৰ বাহিৰে আন কোনো কিতাপত তাৰ নিদৰ্শন দেখিবলৈ পোৱা নাযায়, যিয়ে কোটি কোটি মানুহক আল্লাহৰ একত্ববাদৰ ওপৰত প্ৰতিষ্ঠিত কৰিছে আৰু সম্পূৰ্ণ সন্মানৰ সৈতে সেই সত্য খোদাৰ ফালে পথ প্ৰদৰ্শন কৰিছে। সকলো জাতিয়ে নিজৰ নিজৰ কাল্পনিক খোদা বনাই লৈছে, কিন্তু মুছলমানসকলৰ খোদা সেইজন যি পুৰণি কালৰ পৰা অনন্ত আৰু অপৰিৱৰ্তনশীল, আৰু নিজৰ চিৰন্তন বৈশিষ্ট্য তেনেকুৱাই যিদৰে আগতে আছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আঁহজৰত (ছাঃ)য়ে সেই যুগত আগমন কৰিছিল, যেতিয়া সমগ্ৰ জগতত শ্বিৰক, ভ্ৰষ্টতা আৰু সৃষ্টি পূজা বিয়পি পৰিছিল, আৰু সকলোৱে সত্যক প্ৰত্যাখ্যান কৰিছিল, আৰু সকলো জাতিয়ে সঠিক পথ পাহৰি পৃথক পৃথক কাল্পনিক পথ গ্ৰহণ কৰিছিল। আৰবত মূৰ্তি পূজাৰ বৰ জোৰ আছিল। পাৰস্যত অগ্নি পূজাৰ বজাৰ গৰম আছিল। ভাৰতত মূৰ্তি পূজাৰ বাহিৰেও হাজাৰ হাজাৰ সৃষ্টি পূজা বিয়পিছিল। গতিকে আঁহজৰত (ছাঃ)য়ে এনেকুৱা ভ্ৰষ্টতাৰ সময়ত আগমন হোৱাটো সেই যুগৰ অৱস্থাই এজন বুজুৰ্গ চিকিৎসক আৰু সংস্কাৰকক বিচাৰিছিল আৰু খোদাৰ ফালৰ পৰা হিদায়ত সম্পূৰ্ণভাৱে প্ৰয়োজনীয় আছিল, এনে সময়ত তেখেত (ছাঃ)ৰ আগমন হৈ জগতখনক তৌহিদ আৰু সৎ কামৰ দ্বাৰা আলোকিত কৰা আৰু শ্বিৰক আৰু সৃষ্টি পূজাক নিৰ্মূল কৰা এই কথা প্ৰমাণ কৰে যে আঁহজৰত (ছাঃ)খোদাৰ সত্য ৰছুল আৰু তেখেত (ছাঃ) সকলো ৰছুলতকৈ শ্ৰেষ্ঠ।

কৈছে, মানুহে যেতিয়া খোদাক পাহৰি যায়, খোদা আৰু তৌহিদৰ উপাসনা পৰিত্যাগ কৰে, তেতিয়া খোদা তা'লাই নিজৰ ফালৰ পৰা কোনোবাক নিখুঁত অন্তৰ্দৃষ্টি প্ৰদান কৰি নিজৰ বাণী আৰু ইলহামেৰে আলোকিত কৰি আদমৰ সন্মানসকলক পথ প্ৰদৰ্শনৰ বাবে প্ৰেৰণ কৰে, যাতে যি বিকৃত ঘটিছে সেয়া সংশোধন কৰিব পাৰে। ইয়াৰ মাজত প্ৰকৃত সত্যটো হ'ল যে খোদা চিৰন্তন, জগতখনক প্ৰতিষ্ঠিত ৰাখিছে, জগতৰ অস্তিত্ব সেইজনাৰ জৰিয়তেই প্ৰতিষ্ঠিত আছে, অনন্ত কালৰ পৰাই আছে, আৰু নিজৰ দানৰ

বৈশিষ্ট্যক সৃষ্টিৰ পৰা আঁতৰাই নিদিয়ে বা সেইবোৰক অচল বা স্থগিত ৰখা নাই, বৰঞ্চ খোদাৰ প্ৰতিটো বৈশিষ্ট্যই নিজৰ উপযুক্ত সময়ত প্ৰকাশ পায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এই যুগত আমি দেখা পাওঁ যে আল্লাহৰ প্ৰতিশ্ৰুতি অনুসৰি তেখেত (ছাঃ)ৰ সত্য দাসক খোদা তা'লাই তৌহিদ প্ৰতিষ্ঠা কৰিবলৈ প্ৰেৰণ কৰিছে। এই যুগত হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ) যিজন মছীহ ও মাহদী মাওউদ তেখেত (ছাঃ)ৰ শিক্ষা আৰু ছুন্নতৰ ওপৰত পৰিচালিত হোৱাৰ উদাহৰণ, আৰু তেখেত (আঃ)ৰ হৃদয় আল্লাহৰ তৌহিদ বিস্তাৰ কৰাৰ বাবে তেখেত (ছাঃ)ৰ আনুগত্যৰ আবেগেৰে ভৰা আছিল।

অৰ্থাৎ তেখেত (আঃ)ৰ লিখনী আৰু জীৱনীত ইয়াৰ বহু দৃষ্টান্ত পোৱা যায়, যাৰ পৰা কিছু উদাহৰণ দাঙি ধৰিম। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে খোদা তা'লাৰ আমাৰ সৈতে অদ্ভুত প্ৰেম আছে। মোৰ এই ইলহাম **আনতা মিন্নি বিমানজিলাতি তাওহিদি ওৱা তাফৰিদি** এটা নতুন ধৰণৰ ইলহাম। আমি ইয়াৰ আগতে কোনো ইলহামী বাক্যত এনে ধৰণৰ শব্দাৱলী দেখা নাই। মোৰ ধাৰণা অনুসৰি ইয়াৰ অৰ্থ এইটো যে এনেকুৱা ব্যক্তি তৌহিদ প্ৰতিষ্ঠা কৰিবলৈ এনে সময়ত আগমন কৰে, যেতিয়া পৃথিৱীৰ পৰা তৌহিদ নাইকিয়া হৈ পৰে আৰু তৌহিদক তুচ্ছৰ দৃষ্টিৰে দেখা হয়। এনেকুৱা ব্যক্তি তৌহিদৰে প্ৰতীক হয়।

শ্বিৰক আৰু ইয়াৰ সূক্ষ্ম ৰূপৰ কথা উল্লেখ কৰি হুজুৰ আনোৱাৰ (আঃ)য়ে কৈছে, প্ৰত্যেক প্ৰকাৰ শ্বিৰকৰ পৰা আঁতৰি থকা উচিত, সূৰ্য, চন্দ্ৰ, আকাশৰ তৰা, অগ্নি, পানী আৰু পৃথিৱীৰ আন কোনো বস্তুক উপাস্য বুলি গণ্য কৰা উচিত নহয়। পৃথিৱীৰ উপাদান সমূহৰ ওপৰতো এনেদৰে সন্মান আৰু ভৰসা কৰা উচিত নহয় যাৰ ফলত সেয়া খোদাৰ অংশীদাৰ হৈ পৰে। নিজৰ সাহস আৰু প্ৰচেষ্টাকো এনে বস্তু বুলি গণ্য কৰা উচিত নহয়, যিয়ে শ্বিৰকৰ স্থান লয়, বৰঞ্চ আমি একোৱে নহয় বুলি গণ্য কৰা উচিত, নিজৰ জ্ঞানৰ ওপৰত গৌৰৱ কৰা উচিত নহয় আৰু নিজৰ কৰ্মৰ ওপৰতো অহংকাৰ কৰা উচিত নহয়। নিজকে অজ্ঞ বুলি ভাৱি খোদাৰ চৰণত সদায় নত হোৱা উচিত। মানুহৰ জ্ঞান কোনো শিক্ষকৰ ওপৰত নিৰ্ভৰশীল আৰু সীমিত। কিন্তু খোদাৰ জ্ঞান কাৰো ওপৰত নিৰ্ভৰশীল নহয়।

হুজুৰ কৈছে, আজিকালি ইয়াৰ প্ৰভাৱত ল'ৰা-ছোৱালীৰ মাজতো এই প্ৰশ্ন উত্থাপন হয় আৰু লিখি থাকে যে আল্লাহ তা'লাক কোনে সৃষ্টি কৰিছে, আল্লাহ তা'লা ক'ৰ পৰা আহিছে ? সম্ভৱত ডাঙৰ সকলে এই কথা কয় বা তেওঁলোকৰ মস্তিষ্কত প্ৰশ্ন উত্থাপন হয়, কিন্তু আল্লাহ তা'লাৰ বৈশিষ্ট্য চিৰন্তন আৰু চিৰকলীয়া আৰু অসীম, সেইজনাই সকলোকে সৃজন কৰিছে, খোদাক কোনেও জন্ম দিয়া নাই। যিটো ধাৰণা সৃষ্টি হয় যে শেষ বস্তু যি নিজে নিজে অস্তিত্বলৈ আহিছে সেই অস্তিত্ব হৈছে খোদা তা'লা।

কৈছে, প্ৰকৃত তৌহিদ যাৰ স্বীকাৰোক্তি খোদাই আমাৰ পৰা বিচাৰে, যাৰ সৈতে মুক্তিৰ সম্পৰ্ক আছে সেয়া এইটো যে খোদা তা'লা নিজৰ অস্তিত্বত সকলো প্ৰকাৰ অংশীদাৰৰ পৰা মুক্ত, সেয়া মূৰ্তিয়ে হওক,মানুহেই হওক, সূৰ্যই হওক, চন্দ্ৰই হওক,নিজৰ আত্মাই হওক বা কৌশলেই হওক বা প্ৰতাৰণাই হওক, খোদাৰ সন্মুখত সকলো বস্তু, কোনো ৰহস্য, কোনো মান-সন্মান, কোনো সহায়ক সকলোকে অক্ষম বুলি গণ্য কৰা উচিত, দ্বিতীয়তে নিজৰ প্ৰেম খোদাৰ সৈতে বিশেষ কৰা, উপাসনা সেইজনাৰ সৈতে বিশেষ কৰা, নিজৰ

আশা সেইজনাৰ সৈতে বিশেষ কৰা, নিজৰ ভীতি সেইজনাৰ সৈতে বিশেষ কৰা, গতিকে তৌহিদ এই তিনি ধৰণৰ বিশেষত্ব অবিহনে পৰিপূৰ্ণ হ'ব নোৱাৰে। প্ৰথম অস্তিত্বৰ ক্ষেত্ৰত তৌহিদক সকলো বস্তুতকৈ উচ্চ বুলি ভৰা, দ্বিতীয়, বৈশিষ্ট্যৰ ক্ষেত্ৰত অৰ্থাৎ প্ৰভুত্ব আৰু মালিকত্বৰ ক্ষেত্ৰত খোদা তা'লাক আন সকলো বস্তুতকৈ উচ্চ ভৰা। তৃতীয়, ভালপোৱা, সততা আৰু  সহানুভূতিৰ ক্ষেত্ৰত তৌহিদ, অৰ্থাৎ খোদাৰ সৈতে ভালপোৱাৰ ক্ষেত্ৰত কোনো বস্তুক অংশীদাৰ নকৰা আৰু  সেইজনাৰ স্বাৰ্থত বিলীন হৈ যোৱা।

কৈছে, খোদা তা'লাই কোৰআন কৰিমত সত্য কৈছে যে এই মিছাৰ বাবে আকাশখন প্ৰায় ফাটিয়ে যাব যে এজন দুৰ্বল মানুহক খোদা বুলি গণ্য কৰিছে। এই বেদনাৰ বাবে মোৰ হৃদয়ৰ অৱস্থা এনেকুৱা যে আন লোকসকলে বেহেস্ত বিচাৰে, কিন্তু মোৰ বেহেস্ত হৈছে মই মোৰ জীৱনত মানুহক এই শ্বিৰকৰ পৰা  মুক্ত আৰু খোদাৰ মহিমা প্ৰকাশ পোৱাটো যেন দেখা পাও। মোৰ আত্মাই সদায় দোৱা কৰে যে হে খোদা! যদি মই তোমাৰ পক্ষৰ পৰা হওঁ আৰু তোমাৰ কৃপাৰ ছাঁ মোৰ ওপৰত থাকে, তেন্তে তুমি হজৰত মছীহ (আঃ)ৰ  ওপৰত আৰোপ কৰা  এই অভিযোগ যে তেখেতে খোদাৰ দাবী কৰিছে, ইয়াক আঁতৰ কৰা দিন দেখুৱা।

এটা  যুগ পাৰ হ'ল, মোৰ পাঁচ ওৱাক্ত এইটোৱে দোৱা যে খোদা তা'লাই মানুহক নিজৰ একত্ববাদৰ ওপৰত বিশ্বাস স্থাপন কৰাৰ, সেইজনাৰ ৰছুলক চিনাক্ত কৰাৰ আৰু ত্ৰিত্ববাদৰ বিশ্বাসৰ পৰা তৌবা কৰাৰ তৌফিক  দান কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, খ্ৰীষ্টানসকল সাধাৰণতে দুৰ্বল হৈ পৰিছে, ত্ৰিত্ববাদৰ বিশ্বাস এতিয়া কেৱল তেওঁলোকৰ কিতাপৰ দৃষ্টিকোণ হিচাপে ৰৈ গৈছে। বিশেষকৈ ইউৰোপ, আফ্ৰিকা আৰু আমেৰিকাত ইয়াৰ প্ৰতি বিশ্বাস স্থাপন কৰা লোকৰ সংখ্যা হ্ৰাস পাইছে, বহুতে ত্ৰিত্ববাদৰ বিশ্বাস পৰিত্যাগ কৰিছে, তথাপি এক খোদাক বিশ্বাস নকৰে। গতিকে তৌহিদ প্ৰতিষ্ঠা কৰিবলৈ আমি যথাসম্ভৱ চেষ্টা কৰা উচিত।

আল্লাহ কৰক যি উদ্দেশ্য পূৰণ কৰিবলৈ আল্লাহ তা'লাই তেখেতক প্ৰেৰণ কৰিছিল, আঁহজৰত (ছাঃ)য়ে যি তৌহিদৰ শিক্ষাৰ ঘোষণা কৰিছিল, সেই শিক্ষাৰ ওপৰত আমি পৰিচালিত হৈ তৌহিদ বিস্তাৰ কৰো, কাৰণ জগতবাসীৰ জীৱনৰ এতিয়া এয়াই হৈছে সমাধান।

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় খাজা জাফৰ আহমদ চাহাব, প্ৰাক্তন আমিৰ জামাত আহমদীয়া জিলা ছিয়ালকোট, মাননীয় আজৰাগু আলী চাহাব অফ বৰকিনাফাছোৰ সদগতিৰ কথা উল্লেখ কৰে।  দুয়োজন প্ৰয়াতৰ মাগফিৰাত আৰু উচ্চ মৰ্যাদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَاللّٰه رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB